সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved


Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২৯ সংখ্যা, ০৮ শাওণ, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 29 * Date Of Publication - 25 JULY 2021 Rs. 5.00/-



এই গৃহবন্দী সময়ছোৱাত সন্দিহান মনবোৰক অকনমান সেউজী কৰাৰ মানলেৰে আমি আপোনালোকৰ মাজলৈ লৈ আহিছো এটি সুখৰ বতৰা। আপোনালোকে কেৱল আপোনালোকৰ সুপ্ত প্ৰতিভা জাগ্ৰত কৰক গল্প, উপন্যাস, প্ৰবন্ধ, অনুগল্প, কবিতা, হাঁহিৰ থুনপাক ! ৰহঘৰা, ছবি ইত্যাদিৰ জড়িয়তে। আৰু এইবিলাক সুন্দৰকৈ লিখি পঠিয়াওক আমালে। আমি আপোনালোকৰ প্ৰতিভাক প্ৰকাশৰ ৰূপ দিম আমাৰ মৰমৰ ই ৰঙিলী বাৰ্তাৰ যোগেদি। অ' এইখিনিতে আৰু এটা কথা ক'বলৈ থাকিয়েই গৈছে আমাৰ কন কন মইনাহঁতে আৰু মহিলা ! ছোৱালীসকলে নিজৰ এখন সুন্দৰ ফটোও ইয়াৰ জড়িয়তে চাব পাৰিব। গতিকে সোনকালে ম'বাইল ফোনটো উলিয়াই আমাক যোগাযোগ কৰক ঃ-

E-mail : rongilibarta@gmail.com

Whatsapp/Phone No. : 9854215286/ 8638732821/ 9957045203

visit - www.rongilibarta.com

Follow us on Facebook,instagram & Twitter fordaily updates...

## উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ ৰাজধানী ২০২৪ চনৰ ভিতৰত ৰেল, পথ আৰু বিমানবন্দৰৰে সংযুক্ত হ'ব



বাৰ্ত্তাসৰো - কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে মেঘালয়ত উপস্থিত হয়। মেঘালয় চৰকাৰে নিৰ্মাণ কৰি উলিওৱা আন্তঃৰাজ্যিক বাছ টাৰ্মিনেল উদ্বোধন কৰে। প্ৰধানমন্ত্ৰী মোডীয়ে উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ ৰাজধানী ২০২৩-২৪ চনৰ ভিতৰত ৰেল, পথ আৰু বিমানবন্দৰৰে সংযুক্ত কৰাৰো পৰিকল্পনা কৰাৰ কথা জানিবলৈ দিয়ে মন্ত্ৰীগৰাকীয়ে। অমিত শ্বাহে কয় যে উত্তৰ-পূৰ্বাঞ্চলত যিসমূহ উন্নয়নমূলক কাম হৈ আছে, এই কামসমূহ দীৰ্ঘ

(ছয়পৃষ্ঠাত চাওক)

## মেট্ৰিক, দ্বাদশৰ ফলাফলৰ ঘোষণাৰ বাবে ছেবা আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ সাজু




বাৰ্ত্তসেৱা - ছেবাৰ এক উচ্চস্তৰীয় সূত্ৰৰ পৰা জানিবলৈ পোৱা মতে, ছেবা আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে ফলাফল প্ৰস্তুত কৰি তুলিছে আৰু ফলাফলৰ ঘোষণাৰ বাবে তেওঁলোক বৰ্তমান সাজু। কেৱল মাত্ৰ ঘোষণাৰ দিন থিৰাং কৰিবলৈ বাকী আছে। অৱশ্যে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ সৈতে

(ছয়পৃষ্ঠাত চাওক)

# নলবাৰীত পৱিত্ৰ ঈদৰ দিনাই গ্ৰেপ্তাৰ হ'ল এগৰাকী যুৱতীক



বাৰ্ত্তাসৰো - পৱিত্ৰ ঈদৰ দিনাই কমাৰকুছি আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হ'ল নলবাৰীৰ এগৰাকী ছাত্ৰী। বুধবাৰে ৰাতিপুৰা যুৱতী গৰাকীয়ে দিছিল এটা বিতৰ্কিত ষ্টেটাছ। ইয়াৰ পিছত চছিয়েল মিডিয়াত ভাইৰেল হৈ পৰে সেই ষ্টেটাছ। সেই ষ্টেটাছ ভাইৰেল হোৱাৰ পিছতে আৰক্ষীক অভিযোগ দিয়াত কিছু সময় পিছতেই কমাৰকুছি আৰক্ষীয়ে ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰে যুৱতী গৰাকীক। যুৱতী গৰাকীৰ নাম পাকিজা বেগম। ঘৰ নলবাৰী জিলাৰ কমাৰকুছিত। পাকিজা নলবাৰীৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ স্নাতক তৃতীয় সন্মানিকৰ ছাত্ৰী। যুৱতী গৰাকীৰ পিতৃ বৰভাগ মণ্ডল বিজেপি সংখ্যা লঘু মৰ্চাৰ প্ৰাক্তন সভাপতি খালেকুৰ ৰহমান। ঘটনাৰ বিৱৰণী অনুসৰি পৱিত্ৰ ঈদৰ দিনা পাকিজাই প্ৰথমে মৃত গৰু এটাৰ ফটো প্ৰচাৰ কৰে। দ্বিতীয়তে গো মাংস টুকুৰা টুকুৰ কৰি থকা অন্য এখন ফটো দিয়ে। তাৰ কিছু অংশ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰিম বুলি প্ৰত্যেক্ষ মত প্ৰকাশ কৰে।

# সৃষ্টি

**জয়ন্ত শৰ্মা, যোৰহাট**



সন্তৰ্পনে ধৰণী ধুনীয়া হ'ল
চাৰি মুঠিৰ আত্মপ্ৰকাশ,
আত্মজ গতিময়তা ।
অগোচৰে বটবৃক্ষই আকাৰ
লয় বৃহৎৰ
অস্ফুত শব্দ — নৈশব্দৰ
মায়াজাল ।

শব্দই ও সৃষ্টিয়েই কৰে ।
বীৰ বীৰেশ্বৰে নিনাদিলে কুৰুক্ষেত্ৰত ;
প্ৰতিষ্ঠিত কৰি সত্য, সৃষ্টিলে নতুন
আংগিকৰ।

সময় নিৰবধি,
গৈ থাকে — বৈ থাকে

মৌন সময়ৰ সোঁতেও কৰে সৃষ্টি
থৈ যায় অলেখ শব্দ- গোপনে
উচ্ছাস কিম্বা হুমুনিয়াহৰ ।

# আই

দহমাহ দহদিন , গৰ্ভত ধাৰণ কৰি ,
ওৰেতো কাল অনেক
দুঃখ যন্ত্ৰণা সহি
জন্মৰ প্ৰাক্ ক্ষনত পোৱা
সমস্ত যন্ত্ৰণাকো নেওচি
আমাক জন্ম দিয়া
সেইগৰাকী জন্মদাত্ৰি আইলৈ
যাচিছোঁ শতকোটি প্ৰণিপাত ।

ওপজিয়েই কান্দে যি মাকক বিচাৰি
সেই সন্তানেই আজি ,
কন্দুৱাইছে মাকক
হাৰাশাস্তি কৰি।
কি হ'ব পূজিলে আইক
দিবসটি পাতি
যদিহে নাথাকে হিয়াত
শ্ৰদ্ধা - ভক্তি ।

দিবসৰ অৰ্থ কেৱল
ধূপ- দীপতে ৰাখি সীমাবদ্ধ
খুৱাইছে নগুৰ - নাগতি আইক
কৰি অনেক দুষ্কাৰ্য ।

শত পূণ্যৰ ফলতহে লভে এটি সু সন্তান ,
সেই সন্তানেই আজি
মানৱীয় গুণৰাজিক দি জলাঞ্জলি
নাক কোচখাই যোৱা....
বলাৎকাৰৰ দৰে জঘন্য কাণ্ডৰে আইৰ
উলিয়াইছে দুঃখৰ চকুপানী ।

হে জীৱশ্ৰেষ্ঠ পুত্ৰ ,
দিবসৰ অৰ্থখিনি অন্তৰত লভি
শুদ্ধ আৰু পবিত্ৰতাৰে
ভৰিবলৈ দিয়া তোমাৰ মনোবৃত্তি ।
স্বাৰ্থপৰতাখিনি পথিওঁৰা খেদি
ভাতৃত্ব বোধজ্ঞান অন্তৰত ৰাখি ।
কলুষতা খিনিকো তুমি
পেলোঁৱা , আতৰ কৰি ।

সততাৰে আইক তুমি
পূজিবলৈ শিকা......
স্বৰ্গীয় অনিন্দ্য সুখ অন্তৰত লভিবা ।।

**সুষমা গোস্বামী, যোৰহাট**

# “আৱেগক নিয়ন্ত্ৰণ কৰক”

**— কল্পনা দত্ত**

এখন পৰিষ্কাৰ বুলি দাবী কৰা ঘৰটো গৃহস্থই গম নোপোৱাকৈ কিছুমান দূষিত, ধূলি-মাকতি বা লেতেৰা বস্তু সোমাই থাকে। ঠিক তেনেকৈ সৎ মনোভাবৰ মাজতো খং, হিংসা, দুখ, উদ্বিগ্নতা আদিয়ে মনটো প্ৰদূষিত কৰি ৰাখে আৰু স্বাস্থ্যৰ ক্ষতি কৰে। মানৱ শৰীৰটো মনৰ দ্বাৰা পৰিচালিত হয় আৰু মনটো চালিত হয় আৱেগৰ দ্বাৰা। আমি সেয়ে কিছুমান আৱেগ নিয়ন্ত্ৰণ কৰি ৰাখিব লাগে। যেনে- খং বা ক্ৰোধ আমাৰ চেতন মনৰ অতি ভয়ানক আৱেগ। ই সদায় নিজৰ লগতে আনৰো ক্ষতি কৰে।

প্ৰতিটো মানৱ শিশু পৃথিৱীত ভৰি দিয়েই কান্দে। এই কান্দোনৰ অপেক্ষাত থাকে পৰিয়ালৰ লোকসকল। মানৱ জীৱনৰ এইটোৱেই একমাত্ৰ কান্দোন যি কান্দোনেই সকলোকে হুঁহুৱাব পাৰে। ইয়াৰ পিছৰ কান্দোন কাৰো কাম্য নহয় বাবে শিশুটিক মাকে নিচুকায়। ভাৰতীয় দৰ্শনৰ মতে এটা শিশুৱে কান্দি কান্দি আগমনৰ যি সংকেত



(তিনিপৃষ্ঠাত চাওক)

# “আৱেগক নিয়ন্ত্ৰণ কৰক”

দিয়ে তাৰ অৰ্থ হ'ল এই সংসাৰত মানৱে কান্দিবই লাগিব। কিন্তু ইয়াৰ পৰিসমাপ্তিত আছে আশাবাদ বা সুখবাদ। ইয়াৰ বাবে মানৱ জাতিক লাগিব সাহস, ধৈৰ্য, সততা, কৰ্মস্পৃহা ইত্যাদি গুণ।

আনন্দদায়ক আৱেগসমূহ প্ৰেম, শ্ৰদ্ধা, স্মৃতি, আনন্দ বিশ্বাস, নিৰাপত্তা আদিয়ে মানসিক উৎকৰ্ষ সাধন কৰে। এইক্ষেত্ৰত পৰিৱেশৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। আমাৰ পঞ্চ ইন্দ্ৰিয়কে ধৰি মস্তিষ্কটো হৈছে চলন্ত অৱস্থাত থকা এটা কেমেৰা, এই কেমেৰাই অহৰহ সংগ্ৰহ কৰি থকা দৃশ্যৰাজিয়ে শিশুৰ মানসিকতা গঢ় দিয়ে ।

বেদনাদায়ক আৱেগসমূহে আমাৰ মানসিক আৰু শাৰীৰিক দিশত বিপৰীতধৰ্মী প্ৰভাৱ পেলায়। ইয়াৰ ইতিবাচক দিশটো হ'ল প্ৰফুল্ল চিওতা, ৰঙিয়াল অন্তৰ এখনে মহৌষধৰ দৰে কাম কৰে। আনন্দদায়ক আৱেগসমূহে জীৱনটো উপভোগ কৰাৰ শিক্ষা দিয়ে। প্ৰেম, শ্ৰদ্ধা, আনন্দ, বিনয়ী আদি গুণে মনৰ প্ৰদূষণ দূৰ কৰি জীৱনটো আনন্দদায়ক কৰি তোলে। আৱেগসমূহৰ মাজত সকলোৰে কাম্য হ'ল প্ৰেম। খং, ঈৰ্ষা, হিংসা, ভয়, আদিয়ে শৰীৰত নেতিবাচক প্ৰভাৱ পেলায়। নেতিবাচক আৱেগসমূহ সেয়েহে সদায় দমন কৰাৰ প্ৰচেষ্টাত থকা উচিত। কাৰণ বহু সময়ত আৱেগ নিয়ন্ত্ৰণৰ অভাৱত ‘Psycosomatic’ ৰোগে দেখা দিব পাৰে।

মানুহৰ মনৰ আন এক আৱেগ হৈছে অহংকাৰ। অহংকাৰে মানুহক অন্ধ কৰি পেলায়। অহংকাৰ ত্যাগ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিব লাগে। তদুপৰি কলা ধন স্পৰ্শ নকৰা, কাৰো প্ৰতি কটুবাক্যৰ প্ৰয়োগন কৰা আদিয়ে মনটো পৱিত্ৰ কৰি ৰাখে।

মানুহৰ মনৰ পৰা দুখ-বেজাৰ আদি সম্পূৰ্ণ নোহোৱা কৰিব নোৱাৰি, মানুহেই একমাত্ৰ প্ৰাণী যি হাঁহিব আৰু কান্দিব পাৰে। আমাৰ কৰ্মেন্দ্ৰিয়সমূহক নৈতিকতাৰ জৰীৰে বান্ধি ৰাখিব পাৰিলে অশান্তিৰ পৰিৱৰ্তে শান্তি লাভ কৰিব পাৰি।

বাহিৰৰ প্ৰদূষণতকৈ মনৰ প্ৰদূষণে শৰীৰ, মন দুয়োটাকে অধিক ৰুগীয়া কৰি তোলে। প্ৰতিজন ব্যক্তিয়ে আত্মসংযম, আত্মবিশ্লেষণ, আত্মনিয়ন্ত্ৰণ আৰু আত্মবিশ্বাসক ঔষধ হিচাপে লৈ দূৰ কৰিব পাৰে মনৰ প্ৰদূষণ।

# সত্ৰীয়া সংস্কৃতিৰ সাধক – হৰেকৃষ্ণ মহন্ত

– গোপাল জালান



বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ হৰেকৃষ্ণ মহন্তই আজি ৯৭ বছৰ বয়সত মহাপ্ৰস্থান কৰিলে। ওদালগুৰি অঞ্চলৰ কিংবদিন্তস্বৰূপ এইগৰাকী সত্ৰাধিকাৰে বিগত কে'বাদশক ধৰি বৃহত্তৰ অঞ্চলটোত সত্ৰ স্থাপনৰ জৰিয়তে সত্ৰীয়া সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছিল। হৰেকৃষ্ণ মহন্তই বহুতো ঘাত-প্ৰতিঘাত নেওচি জিলাখনত ্খন সত্ৰ স্থাপন কৰিবলৈ সক্ষম হৈছে। সবাতোকৈ উল্লেখযোগ্য কথা হ'ল যে আটাইকেইখন সত্ৰৰ প্ৰায়সংখ্যক ভকতেই হ'ল বড়ো, ৰাভা, গাৰো, আদিবাসী সম্প্ৰদায়ৰ। বৰপেটা অথবা মাজুলীৰ দৰে কোনো এটা অঞ্চলৰ সাদৃশ্য নথকা এই অঞ্চলটোত সত্ৰ স্থাপন কৰি মহন্তই এটা কথা প্ৰমাণ কৰিলে যে আদৰ্শৰে সকলোকে আকৰ্ষিত কৰিব পাৰি। বিটিএডি অঞ্চলত এনে সত্ৰ স্থাপনেৰে লোকসকলক আকৰ্ষিত কৰিব পৰাটো একপ্ৰকাৰ জীৱনৰ বৃহৎ সাফল্য বুলিয়ে ক'ব লাগিব। জিলাখনত খোজ পেলোৱা দিনৰেপৰাই মহাপ্ৰস্থানৰ সময়লৈকে যি পদক্ষেপ গ্ৰহণ কৰিলে তাৰ বাবে চিৰদিন সকলোৰে মনত সজীৱ হৈ থাকিব হৰেকৃষ্ণ মহন্ত। জনজাতীয় লোকসমৃদ্ধ এনে এটা অঞ্চলত গৈ গীত-পদ, খোল-তাল, নাগাৰা, মৃদংগৰ ধ্বনিৰে মুখৰিত কৰিব পৰাটোও কম কথা নহয়। তেওঁৰ আধ্যাত্মিক, মানসিক উত্তৰণ অনুকৰণীয়।

এইজনা সত্ৰাধিকাৰৰ শৈশৱ, কৈশোৰ আৰু যৌৱনকাল বৰপেটা সত্ৰৰ বেষ্টনীতে অতিবাহিত হৈছিল। সেইবাবে তেওঁ কেৱলীয়া মতকে সাবটি আছিল। তেওঁৰ কাৰ্যাৱলীত নাই কোনো আধুনিকতাৰ প্ৰভাৱ। কেৱল সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰতে ব্যস্ত হৈ আছিল। আজিৰ যুগত এনে ধৰণৰ লোক পাবলৈ নাই। ১৯৫৩ চনত বৰঙাজুলিত সত্ৰ প্ৰতিষ্ঠা হোৱাৰ পিছতে ইষ্টদেৱ নবিশ বৰপেটা সত্ৰৰ ডেকা সত্ৰাধিকাৰ নিৰ্বাচিত হোৱাত নতুন সত্ৰখনৰ দায়িত্ব হৰেকৃষ্ণ মহন্তই গ্ৰহণ কৰে। খৈৰাবাৰী, ভেৰগাঁও, পুৰণি টংলা, খেলাপাৰা অঞ্চলত সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰ ঘটাই নিজ দক্ষতাৰে বড়ো, ৰাভা লোকক শিষ্য হিচাপে গ্ৰহণ কৰি আহিছে। বৰঙাজুলিৰ দৰে এটা অঞ্চলত বিগত কে'বাদশক ধৰি সত্ৰীয়া সংস্কৃতি প্ৰচাৰত নিমগ্ন হৈ থকা মহন্তক বয়সে হাৰ মনাব পৰা নাছিল। কাৰণ পুৱা-গধূলি এইগৰাকী সত্ৰাধিকাৰৰ নেতৃত্বতে বাজি উঠে তাল, দবা, খোল, মৃদংগৰ ধ্বনি। চৌদিশে ইয়াৰ ধ্বনিয়ে সৃষ্টি কৰে এক মধুময় পৰিৱেশ। আধুনিকতাৰ ধামখুমীয়াত আজিও এনে পৰিৱেশে বিৰাজ কৰি থকাটো সঁচাকৈয়ে আদৰ্শনীয় বিষয়। এই সকলোবোৰৰ কৃতিত্ব আমি প্ৰয়াত হৰেকৃষ্ণ মহন্ত আতাক দিবই লাগিব। শংকৰদেৱৰ কৃষ্টি-সংস্কৃতিৰ সংৰক্ষণ আৰু বিস্তাৰৰ বাবে সাত দশক ধৰি অবিৰত যাত্ৰা অব্যাহত ৰখা এগৰাকী ব্যক্তিক সমাজে দিব লগা স্বীকৃতি আজিও দিয়া নাই। মহন্তৰ বাবে কৰ্মই হ'ল ধৰ্ম। তেওঁ ব্যক্তিগত প্ৰচাৰ নিবিচাৰিছিল। সদায় প্ৰচাৰৰপৰা আঁতৰি থাকি নীৰৱে কাম-কাজ কৰিবলৈহে তেওঁ আগ্ৰহী আছিল। তেওঁৰ বাবে প্ৰচাৰতকৈ কৰ্মহে ওপৰত। তেওঁ সত্ৰীয়া সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বহুতো বাধা-বিঘিনি অতিক্ৰম কৰিবলৈ সদায় সাজু আছিল।

আমিও আতাৰ পৰম ভক্ত আছিলো। আতাই আমাক দিক্‌দিৰ্শন দিছিল। বিভিন্ন সময়ত তেখেতৰ কাষলৈ গৈছিলো দিহা-পৰামৰ্শ বিচাৰি। মাজে- মাজে ফোন কৰি তেখেতৰ স্বাস্থ্যৰ খবৰো ৰাখিছিলো। আমি হোমেন বৰগোহাঞি, লক্ষ্মীনন্দন বৰা, অমৰজ্যোতি চৌধুৰী, ময়ূৰ বৰা, প্ৰাঞ্জল শইকীয়া, পূৰ্ণিমা পাঠক শইকীয়া, নিতুমণি শইকীয়া আদি বিভিন্ন ক্ষেত্ৰৰ শ্ৰেষ্ঠ ব্যক্তিসকলক লৈ গৈছিলো তেখেতৰ ওচৰলৈ। তেওঁলোকে তেখেতৰ লগত বিভিন্ন কথা আলচ কৰিছিল। তেখেতৰ জীৱনৰ ঘাত-প্ৰতিঘাতৰ বৰ্ণনা শুনিছিল।

হৰেকৃষ্ণ মহন্ত বিখ্যাত ব্যক্তি নহ'লেও তেওঁৰ কৰ্মৰাজি বিশ্ববিশ্ৰুত লোকসকলতকৈ কোনোগুণে কম নহয়। দৰাচলতে বৰঙাজুলিৰ দৰে ঠাই এখনলৈ গৈ কে'বাদশক পূৰ্বে সত্ৰীয়া সংস্কৃতি প্ৰচাৰ কৰিবলৈ সক্ষম হোৱাটোৱে মহন্তৰ অনন্য কৃতিত্ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে সমাজ গঞ্জিবলৈ অহৰ্নিশে চেষ্টা অব্যাহত ৰখা হৰেকৃষ্ণ মহন্তক ৰজাঘৰেও আজিলৈকে নাযাচিলে প্ৰাপ্য সন্মান। সমাজৰ মংগলৰ বাবে জীৱনৰ সকলো মূল্যৱান সময় অতিবাহিত কৰা এইগৰাকী আতাক যথাযোগ্য সন্মান প্ৰদান কৰাটো চৰকাৰৰো দায়িত্ব।

# ক'ৰোণা মহামাৰী আৰু বৰ্তমানৰ বাস্তৱ জগত

- চাহিল মল্লিক



ক'ৰোণা মহামাৰীৰ প্ৰথম লহৰে সমগ্ৰ বিশ্ব জোকাৰি জোৱাৰ পিছত হয়তো সকলোৱে ভাবিছিলো যে আৰু হয়তো এই ভয়ংকৰ মহামাৰী উভতি নাহিব। দেশৰ স্তব্ধ হৈ থকা অৰ্থনীতিও লাহে লাহে আকৌ নিজৰ পূৰ্বৰ গতি ধৰি আগুৱাবলৈ আৰম্ভণি কৰিছিল। বহু মানুহে নিজৰ পূৰ্বৰ কৰ্মস্থলি হেৰুৱাই পেলাইছিল, বহু লোকে নিজৰ পূৰ্বৰ কৰ্মৰাজি বাদ দি বেলেগ এক কৰ্মৰাজি হাতত লৈ নতুনকৈ জীৱনটো আৰম্ভ কৰিবলৈ লৈছিলহে মাথো। বস্তুতৰে লকডাউনত চলিবলৈ অসুবিধা হোৱা বাবে আৰ্থিক ভাবে সকাহ পাবলৈ কিছু টকা ধাৰ লৈছিল অথবা ঋণ লৈছিল। সেই ধাৰ বা ঋণত লোৱা টকা পৰিশোধ কৰিবলৈ কোনেওঁ সময়েই নাপালে। ঠিক তেনে সময়তেই আকৌ এই ভয়ংকৰ মহামাৰীৰ দ্বিতীয় লহৰে আহি যেন সকলো সমূহ স্তব্ধ কৰি পেলালে। ক'ৰোণাৰ সংক্ৰামন বাঢ়ি যোৱাৰ লগে লগে আকৌ লাহে লাহে স্তব্ধ হৈ পৰিল সকলো। আকৌ সকলোৱে নিজৰ কৰ্ম তথা কৰ্মস্থান এৰি ঘৰতেই আবদ্ধ হৈ থাকিব ল'গা হ'ল। আকৌ গধুলি ছ বজাৰ লগে লগে সান্ধ্যআইন আৰম্ভ হ'ল। লাহে লাহে সেই সান্ধ্যআইনে গৈ গৈ ১২ৰ ঘৰ স্পৰ্শ কৰিলে। লাহে লাহে অমাবস্যা নামি আহিল সেইসকল ক্ষুদ্ৰ ব্যৱসায়ীৰ ওপৰত যিসকলে গধুলি হ'লে ম'মো, চাওঁমিন, ঘুগনী আদিৰ দোকানেৰে তেওঁলোকৰ পৰিয়াল পোহ-পাল দি আহিছিল। এই ক্ষুদ্ৰ ব্যৱসায়ী সকলেও আৰ্থিক সংকটৰ পৰা অলপ সকাহ পালে বুলি নতুন উদ্যমেৰে তেওঁলোকৰ ভ্ৰাম্যমাণ দোকানখন লৈ ওলাই যাবলৈ আৰম্ভ কৰিছিলহে মাথো। আকৌ আহি গ'ল এই কামৰূপী মহামাৰী। লাহে লাহে আকৌ আন্ত:জিলা যাতায়ত ব্যৱস্থা সমূহ বন্ধ হৈ পৰিল। বাহন সমূহত কৰ্মৰত হৈ থকা চালক, হেন্ডিমেন, চাফাই কৰ্মী সকলোৱে আকৌ এক নতুন আশাৰে তেওঁলোকৰ বাহন সমূহলৈ আহিছিল, চালকে সেৱা এটা কৰি গাড়ী ষ্টাৰ্ট দিছিলহে মাত্ৰ কিন্তু আকৌ সেই ষ্টাৰ্ট বন্ধ কৰিব লগা হ'ল। বৰ্তমানো সেই ষ্টাৰ্ট বন্ধই হৈ আছে। টেন্ট হাউছৰ মালিক তথা কৰ্মচাৰী সকলেও ভাবিলে কেনেবাকৈ ৰক্ষা পৰিলো। টেন্ট হাউছৰ লোহাৰ সামগ্ৰী সমূহত লগা মামৰ সমূহ আঁতৰাই কৰ্মী সকলে হাতত হাঁতুৰি লৈ পেন্ডেলৰ কামত ওলাই গ'ল। কিন্তু বিধিৰ লিখন জানো কোনোবাই মচিব পাৰে। তেওঁলোকৰ হাতৰ হাঁতুৰি আকৌ মালিকৰ ওচৰত থৈ তেওঁলোকে বৰ্তমান হাতত কোৰ লৈ ব্যস্ত হৈ পৰিব লগা হ'ল। ঘৰত বহি থাকিলে জানো চলিব, দুবেলা দুমুঠি কেনেবাকৈ হ'লেও খাব লাগিব। সেই উদ্দেশ্য বহুতো বিভিন্ন ক্ষেত্ৰত নিয়োজিত হৈ থকা কৰ্মচাৰীয়ে ৰাতি পুৱাই ওলাই যাব লগা হ'ল কৰোবাত দিন হাজিৰা কৰিবলৈ। বিদ্যালয়-মহাবিদ্যালয় সমূহ আকৌ বন্ধ হৈ পৰিল। দীৰ্ঘদিনীয়া বিৰতিৰ অন্তত ছাত্ৰ-ছাত্ৰী সকলে প্ৰায় এবছৰ পূৰ্বতে ভালকৈ ধুই আইৰন কৰি থৈ দিয়া ইউনিফৰ্ম যোৰৰ ভাজ ভাঙি নতুন সপোন তথা নতুন আশাৰে বিদ্যালয়-মহাবিদ্যালয়ত যাবলৈ আৰম্ভ কৰিছিলহে মাথো। কোনে নো জানিছিল যে আকৌ কিছুদিন পিছত এই ছাত্ৰ-ছাত্ৰী সকলোৰ নতুন আশা তথা নতুন সপোনত আকৌ এই মহামাৰীয়ে চেঁচা পানী ধালিব। ব্যক্তিগত খণ্ডৰ বিদ্যালয়-মহাবিদ্যালয় সমূহত কৰ্মৰত শিক্ষক সমূহে হয়তো ভাবিছিল যে লকডাউনে আৰ্থিক ভাবে জুৰুলা কৰি পেলোৱাৰ পিছত তেওঁলোকৰ উপাৰ্জনৰ পথ আকৌ খোল খালে। কিন্তু তেওঁলোকৰ সেই সপোনতো যেন চেঁচা পানী ধালিলে এই মহামাৰীয়ে। আকৌ পূৰ্বৰ দৰে বন্ধ হৈ পৰিল বিদ্যালয়-মহাবিদ্যালয় সমূহ। যিসমূহ টেম্পো চালক তথা গাড়ী চালকে স্থানীয় ভাড়া মাৰি জীৱন নিৰ্বাহ কৰি আছিল, তেওঁলোকৰো জীৱনলৈও যেন আকৌ কাল অমানিশা নামি আহিল। তেওঁলোকেও নতুন উদ্যমেৰে গাড়ীখন ঘৰৰ পৰা ওলাই লৈ আহিবলৈ আৰম্ভ কৰিছিল হে মাথো। কন-কন ল'ৰা-ছোৱালী সকলে হয়তো দেউতাকক কৈ পঠিয়াইছিল যে, "দেউতা মোৰ বাবে আহোতে চকলেট লৈ আহিবা" কিন্তু দেউতাকে গাড়ী লৈ উলাই আহি গ'ম পালে যে নতুন এছ. অ. পি. মতে হেনো কেব বা তেনে সমূহ গাড়ীত দুজনতকৈ বেছি যাত্ৰী উঠাব নোৱাৰিব। দুজন বা তিনিজনতকৈ বেছি যাত্ৰী উঠাব নোৱাৰিলে তেওঁলোকে কি গাড়ী চলাব বা তেওঁলোকৰ ভাড়া মাৰি দিনটোৰ শেষত কিমান টকা নো হাতত ৰ'ব। সেইবাবে তেওঁলোকে ভাড়া বৃদ্ধি কৰিলে কিন্তু যি দুই-এজন যাত্ৰী আগতে অহা যোৱা কৰিছিল তেওঁলোকেও এতিয়া নোযোৱা হ'ল। কিয়নো যাব ২০ টকাৰ ভাড়া এতিয়া ১০০ টকা হ'ল। এতিয়া প্ৰশ্ন হ'ল এনেকৈ নো আৰু কিমান দিন চলিব? ভাল দিন সমূহ কেতিয়া উভতি আহিব? পূৰ্বৰ গতিৰে দেশ আকৌ কেতিয়া আগবাঢ়িব? স্তব্ধ হৈ ৰোৱা দেশৰ অৰ্থনীতি আকৌ আগৰ গতিৰে চলন্ত অৱস্থালৈ কেতিয়া আহিব? লকডাউনে জুৰুলা কৰি পেলোৱা পৰিয়াল সমূহত আকৌ হাঁহি বিৰিঙি উঠিবনে?

# ডিজিটেল উপনয়ন

- স্বাগতা বৰুৱা গোস্বামী



পুৱাৰ হাঁহি চেঁচা বতাহজাকে দৰদী দৰদী বুলি এটা সুন্দৰ ৰিংটন বাজি উঠিল।ফোনতো কাণত লৈয়ে জোনটি একপ্ৰকাৰৰ চিন্তাত পৰিল।এতিয়া কি হ'ব? জোনটিৰ কণ্ঠস্বৰৰ দুৰ্বলতা দেখি ঘৰৰ সকলোৰে দৃষ্টি কেৱল জোনটিৰ ওপৰতে নিবদ্ধ। অ' বাইদেউ, এতিয়া কি হ'ব? হেৰি শুনিছেনে আমাৰ ইটোৰ পাছত সিটো সমস্যা কিয় আহি আছে বাৰু?কি কৰো বাৰু এতিয়া? কি হ'ব এতিয়া? কথাতো কোৱা আগতে বুলি জোনটিৰ স্বামী ৰণে চিঞঁৰি উঠিল। জোনটিয়ে বোলে ৰক্সৱ মই কৈ আছো আগতে পানী এগিলাচ খাই ল'ব লাগিব।গতিকে পাঠকসকল ইমান সময়ে আপোনালোকেও কি হ'ল ভাবি আছে চাগৈ, জোনটিয়ে পানী গিলাচ খাই মানে মই আপোনালোকক অলপমান কাহিনীটো কৈ লওঁ।

(ছয়পৃষ্ঠাত চাওক)

# দেৱাল ছবি

— বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও



মৰমৰ অকণিহঁত, তোমালোক সকলোৱেই ছবি আঁকি ভাল পোৱা নহয়নে বাৰু! কোনোৱে আকৌ বেছি ভাল পায়, কোনোৱে অলপ কম ভাল পায়। ছবি আঁকি কম ভাল পোৱা সকলে পঢ়ি আৰু লিখি বেছি ভাল পায়। "মই আজিলৈকে একো ছবি অঁকা নাই "এই কথাষাৰ কোনোবাই ক'ব পাৰিবনে বাৰু? নিশ্চয় নোৱাৰে। কাৰণ আমি লিখা পঢ়া আৰম্ভ কৰাৰ আগতেই আঁক বাঁক যে কৰিছিলো সেয়াই ছবি। ছবি এখন আঁকি ৰং সনাৰ পাছত ছবি খনে আমাক খুব আকৰ্ষণ কৰে, মানে ছবি খন চায়েই থাকিবলৈ মন যায়। প্ৰথমে আমি ছবি অঁকা মেজখনতে থৈ চাঁও তাৰ পাছত অলপ দূৰৰ পৰা চাবলৈ মন যায়, তেতিয়া আমি হাতত ছবিখন লৈ যিমান দূৰলৈ হাত মেলিব পাঁৰো সিমান দূৰৈৰ পৰা চাঁও। আৰু শেহত ছবিখন বেৰত

(আঠপৃষ্ঠাত চাওক)



JANASANYOG-971/21

# মেট্ৰিক দ্বাদশৰ ফলাফলৰ

আলোচনা কৰি ইতিমধ্যে ছেবাই ফলাফল ঘোষণাৰ এটা দিন থিৰাং কৰিছে যদিও এই সিদ্ধান্তৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অনুমোদন লাভ কৰিবলৈ বাকী আছে। শিক্ষা মন্ত্ৰীয়ে মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰি ফলাফলৰ দিন ঘোষণাৰ বিষয়টো চূড়ান্ত কৰাৰ কথা। মূল্যায়ন নীতিৰ অহেতুক সুবিধা গ্ৰহণ কৰি একাংশই ফলাফলত কিছু বেমেজালিৰ সৃষ্টি কৰিব বিচাৰিছিল যদিও এই বিষয়টোকো ছেবাই অতি পুংখানুপুংখভাৱে নিৰীক্ষণ কৰা বুলি জানিবলৈ দিছে। ফলাফল ঘোষণাৰ সময়ত যাতে বিশেষ বিতৰ্কৰ সৃষ্টি নহয় তাৰ বাবে অভিযোগ উত্থাপিত হোৱা বিদ্যালয়ৰ ক্ষেত্ৰত মূল্যায়ন পুনৰীক্ষণ কৰিছে। একেদৰে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদেও নিজৰ সকলোখিনি প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। সংসদেও নিজাববীয়াকৈ ফলাফল ঘোষণাৰ এটা দিন থিৰাং কৰিছে যদিও মুখ্যমন্ত্ৰীৰ অনুমোদন বাকী। মুখ্যমন্ত্ৰীৰ পৰা সেউজ সংকেত লাভ কৰিলেই ছেবা আৰু সংসদে ফলাফল ঘোষণাৰ দিন দুই এদিনতে ৰাজহুৱা কৰিব।

# উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ ৰাজধানী

বছৰ পূৰ্বেই হ'ব লাগিছিল। কিন্তু তদানীন্তন চৰকাৰে কোনো ধৰণৰ তৎপৰতা গ্ৰহণ নকৰিলে । উত্তৰ পূবৰ সামগ্ৰিক বিকাশৰ বাবে মোডী চৰকাৰে গ্ৰহণ কৰা তিনিটা মহত্বপূৰ্ণ কামৰ বিষয়েও উল্লেখ কৰে অমিত শ্বাহে। তেওঁ কয় যে প্ৰথমে উত্তৰ-পূবৰ ভাষা, কৃষ্টি-সংস্কৃতি, নৃত্য-সংগীত, খাদ্য শৈলী আদি সকলোকে একলগ কৰি দেশৰ আকৰ্ষণৰ কেন্দ্ৰস্থল হিচাপে স্থাপন কৰাৰ বাবে কাম কৰিছে। দ্বিতীয়তে, কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূবৰ সকলো উগ্ৰপন্থীকে শান্তি আলোচনাৰ মাজলৈ আনি অঞ্চলটোত শান্তিপূৰ্ণ বাতাৱৰণ প্ৰতিষ্ঠা কৰাৰ বাবেও অহৰহ কাম কৰি আছে। তৃতীয়তে, কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূবক এক বিকশিত ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰি স্বাধীনতাৰ পূৰ্বে উত্তৰ-পূবৰ জি ডি পিৰ হাৰ যিদৰে দেশৰ ভিতৰতে আকৰ্ষণীয় আছিল, অনুৰূপ স্থিতিলৈ লৈ যোৱাৰ বাবে প্ৰয়াস কৰিছে কেন্দ্ৰই। যিদিনাই উত্তৰ-পূবৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি)ৰ হাৰ ২০ শতাংশৰ ওপৰত হ'ব, তেতিয়াই উত্তৰ-পূবৰ পৰা দৰিদ্ৰতা, নিবনুৱা সমস্যা আৰু অশান্তি দূৰ হ'ব বুলিও অভিহিত কৰে। ইয়াৰ বাবে অতি সুসংহতভাৱে তথা সকলোকে লগত লৈ কেন্দ্ৰীয় চৰকাৰে কাম কৰি আছে। উত্তৰ-পূব দেশৰ এনে এক ক্ষেত্ৰ, য'ত যোগাযোগ ব্যৱস্থা উন্নত হোৱাৰ বৰ্তমানেও কিছু প্ৰয়োজনীয়তা আছে। যোগাযোগ ব্যৱস্থা উন্নত হোৱাৰ অবিহনে উত্তৰ-পূৰ্বাঞ্চলক বিকশিত ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ লগতে এক শান্তিপূৰ্ণ পৰিৱেশ বিৰাজ কৰাৰ ক্ষেত্ৰতো প্ৰত্যাহ্বানপূৰ্ণ হ'ব। সেয়ে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যত যোগাযোগ ব্যৱস্থা অধিক উন্নত কৰাৰ বাবেও কেন্দ্ৰীয় চৰকাৰে উচিত পদক্ষেপ গ্ৰহণ কৰিছে বুলিও অৱগত কৰে।

# ডিজিটেল উপনয়ন

— স্বাগতা বৰুৱা গোস্বামী

ৰণৰ ঘৰত ৰণ,ৰীত,জোনটি আৰু ৰণৰ বায়েকৰ সৈতে এখন সৰু সুখৰ সংসাৰ।তেওঁলোকৰ ঘৰ গোলাঘাটত।ব্ৰাহ্মণ সম্প্ৰদায়ৰ হোৱাৰ হেতুকে ৰণৰ পুত্ৰক লগুণ দিয়াৰ সময়। এইবাৰ যেনিবা ৰবি,তাৰা সকলোবোৰ মিলিছে। আগৰ বছৰ পাতিম বুলি ভাবিও এটাও দিন নাপালে।এইবাৰ যেনেতেনে এটা দিন মিলিছে।বহুত আশাৰে উপনয়নখন পাতিম বুলি আগবাঢ়োতেই লাগিল লেঠা। যোৱাবছৰৰ দৰে এইবাৰো অতিমাৰী আহি আমাৰ পদুলি পালেহি।চাৰিওফালে হাহাকাৰময় পৰিবেশ।চৰকাৰী নীতি নিৰ্দ্দেশনা কোনো অনুষ্ঠানত দহজনতকৈ অধিক মানুহ থাকিব নোৱাৰিব।কথাষাৰ শুনাৰ পৰা ৰণদীপ ভট্টাচাৰ্য্যৰ ঘৰৰ সকলো চিন্তাতেই পৰি গ'ল। কাৰণ শাহুৰেক শহুৰেক নথকা ঘৰখনত জোনটিৰ একমাত্ৰ ভৰষা আছিল তাইৰ বায়েকৰ ওপৰত। জোনটিৰ মাক, দেউতাকৰো ইতিমধ্যে মৃত্যু হৈছে। গতিকে বায়েকেই কেইদিনমানৰ আগত আহি সকলোবোৰ কাম বন কৰি দিব বুলি জোনটি নিশ্চিন্ত আছিল। কিন্তু হঠাৎ যেন সকলোবোৰ "ভবা কথা নহয় সিদ্ধি বাটত আছে কণাবিধি"ৰ দৰে হৈ পৰিল। কাৰণ বায়েকৰ ঘৰ নগাঁৱত। চৰকাৰী নিৰ্দ্দেশনা আন্তঃজিলা যাতায়ত বন্ধ। হ'ব আৰু উপায় নাই বুলি জোনটিয়ে নিজেই নিজকে সান্ত্না দি বায়েক আৰু পুৰুহিতৰ লগত লগ হৈ সকলোবোৰ বস্তু পাতি যোগাৰ কৰিলে। এনেতে নিৰ্দ্দিষ্ট দিনটো আহিল। ৰীতৰ উপনয়ন। ৰাতিপুৱাৰ পৰা কামৰ ব্যস্ততা। সেইদিনা জোনটি আৰু তাইৰ জেশাহুৰেকে চাৰি বজাতেই শোৱাপাটী এৰিছে। জোনটিয়ে লৰা-লৰিকৈ ঘৰৰ কোঠালী কেইটা সাৰি মচি গা-ধোৱা ঘৰত সোমাইছেগৈ।গা-ধুই আহি আলমাৰিটো খুলি লওঁতে দুগালে দুধাৰী চকুলো বৈ আহিল। হঠাৎ পিঠিত দিয়া এটা জোকাৰতহে যেন তাইৰ সম্বিত ঘূৰি আহিল। কি হ'ল আহা আকৌ লেঠা লাগিল আয়তি লাগে তিনিগৰাকী। কি হ'ব এতিয়া? বায়েকলৈ ফ'ন লগালে,বা শুনছোন তিনিগৰাকী আয়তি লাগে কি কৰো বাৰু এতিয়া? তই ভিডিঅ' কলিং কৰ মই সকলো ঠিক কৰি আছো। কোৱামতেই কাম জোনটি,জেশাহুয়েক আৰু ফ'নত তাইৰ বায়েক। জোনটি মই প্ৰশ্ন কৰি যাম আৰু তই উত্তৰ দি যাবি।

কাক দেখি আহিলা
হৰ গৌৰী ৰ মুখ দেখি আহিলো।
কিয় আহিলা
বতুৰ উপনয়নৰ পানী তুলিবলৈ আহিলো।
কাৰ পানী কাতিছা?

বতুৰ উপনয়নৰ পানী কাটিছো। এইবাৰলৈ যেনিবা ৰক্ষা পৰিল আৰু পিছৰখিনিও ভালদৰেই পাৰ হৈ গ'ল। অহঃ আমাৰ জোনটিও পানী গিলাচ খাই পাইছেহি দেই। পিছৰ খিনি তেওঁৰ মুখেৰেই শুনোছোন আহক। হেৰি আমি আকৌ বিপদত পৰিছো। আজি দৰ পেলোৱা ভোজলৈ বোলে দেউ আহিব নোৱাৰে ,তেখেতৰ ৰাতিপুৱাৰ পৰা অহা যোৱা চলিছে। ৰণে বোলে ধৈৰ্য ধৰা আৰু তোমাৰ বায়েৰালৈ ফ'ন লগোৱা। বায়েকৰ তাত ফ'ন বাজিল। বোলে বাইদেউ আমি আকৌ মহা বিপদত..তুমিয়েই শেষ ভৰষা উদ্ধাৰ কৰা। আমি বৰ চিন্তাত পৰিছো। হয়নিকি ৰ'বাছোন কি কৰিব পৰা যায় চিন্তা কৰো। অলপ সময়ৰ পাছত বায়েকৰ ফ'ন আহিল বোলে মই আমাৰ দেউৰ লগত কথা হ'ল তেখেতে ভিডিঅ' কলত কৈ যাব নিয়মখিনি ৰীতক কৰি যাবলৈ কৈছে আৰু ৰীতৰ লগত ভাতসাজঁত দেউতাকক বহি দিবলৈ কৈছে। এইদৰেই কথা মতে কাম কৰি ভিডঅ' কলতে সীমাবদ্ধ হ'ল ক'ৰনা ডিজিটেল উপনয়ন।

০৮ শাওণ, ১৪২৭ চন Rongili Barta, Date of Publication– 25 JULY, 2021

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# ক'ভিডত স্বামীহাৰা মহিলালৈ আৰ্থিক সকাহ

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা প্ৰতিগৰাকী বিধৱা মহিলালৈ

## ২.৫০ লাখ টকাৰ

একালীন সাহায্য

প্ৰথম পৰ্যায়ত ৮৭৪গৰাকী মহিলাক সাহায্য প্ৰদান কৰা হ'ব



### চৰ্তাৱলী

- হিতাধিকাৰী অসমৰ স্থায়ী বাসিন্দা হোৱাটো বাধ্যতামূলক
- মৃত্যুৰ তথ্য ৰাজ্যিক পৰ্যায়ৰ 'ক'ভিড ডেথ অডিট ব'ৰ্ড'ৰ দ্বাৰা প্ৰমাণীকৃত হ'ব লাগিব
- সৰ্বাধিক বাৰ্ষিক উপাৰ্জন ৫ লাখ টকা
- অৰুণোদয় আৰু বিধৱা পেঞ্চন আঁচনিৰ হিতাধিকাৰীৰ বাবেও সুবিধা উপলব্ধ
- চৰকাৰী কৰ্মচাৰীৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহয়

**JANASANYOG-967/21**

সবিশেষ জানিবলৈ সংশ্লিষ্ট জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰক

Register at assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow Us /@diprassam https://dipr.assam.gov.in/

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025

০৮ শাওণ, ১৪২৭ চন Rongili Barta, Date of Publication– 25 JULY, 2021

# কাব্যপ্ৰিয়া

**সংগীতা ডেকা, ৰঙিয়া**

আজি এটা কবিতা লিখিম...
আৱেগ মিশ্ৰিত দীপ্ত কাননৰ,
প্ৰফুল্লিত অনুভৱ পুষ্পৰ
আহ্লাদিত ৰেণুৰ পৰা...।

পঢ়ি চাব নে আপুনি...?
"মইত" থকা "মইজনীক"...!

অনুৰাগ দি যোৱা শব্দেৰে
অনুভৱ হৈ যোৱা ভাষাৰে
"কাব্যস্নাতা" হ'ব খোজে
মন বিহংগই ,
"আপুনি" নামৰ বৰ্ষাত তিতা ,
ভাৱনাৰ টোপালবোৰেৰে...!

# মণিপুৰৰ কন্যা মিৰাবাই চানুৱে ভাৰতলৈ কঢ়িয়াই আনিলেঅলিম্পিকৰ প্ৰথমতো মেডেল




বাৰ্ত্তাসেৱা- টকিঅ' অলিম্পিকৰ প্ৰতিযোগিতাৰ প্ৰথম দিনাই ৪৯ কিলোগ্ৰাম শাখাত ৰূপৰ পদক জিনি দেশলৈ গৌৰৱ কঢ়িয়াই আনিলে মণিপুৰৰ কন্যা মিৰাবাই চানুৱে। ৪৯ কিলোগ্ৰাম শাখাত দেশৰ প্ৰতিভাৱান ভাৰউত্তোলক গৰাকীয়ে মুঠ ২০২ কিলোগ্ৰাম ওজন দাঙি ৰূপৰ পদক আজুৰি আনে।

# দেৱাল ছবি

ওলোমাই বা আওঁজাই থৈ দূৰলৈ গৈ হেপাঁহ পলুৱাই চাও । কিয় চাওঁ বাৰু এনেকৈ ?ছবি খনত থকা ৰং -ৰেখা -ছন্দ ই আমাৰ মনক অন্য এখন জগতলৈ লৈ যায় ।মনত এক ভাৱৰ সঞ্চাৰ হয় ,আনন্দ, অনুভুতিৰ উপলব্ধি জাগ্ৰত হৈ উঠে ।ছবিয়ে কথা ও কয় নহয়নে বাৰু ! এখন ছবি চাই আমি যি অৰ্থ বুজি পাঁও সেয়াই হৈছে ছবিয়ে কোৱা কথা ।পৃথিৱীৰ আটাইতকৈ প্ৰাচীন কলাই হৈছে ছবি ।আদিম মানুহে মনৰ ভাব অনুভুতি প্ৰকাশ কৰিছিল চিত্ৰৰ সহায়ত ।তেওঁলোকে গুহাৰ বেৰত বিভিন্ন চিত্ৰ অংকণ কৰিছিল ।সময়ৰ অগ্ৰগতিৰ লগে লগে মানুহৰ চিন্তা -চেতনা, ৰুচিবোধ, সৌন্দৰ্য্যবোধ আদিৰ বিকাশে ছবিক সামাজিক পৰিৱৰ্তনৰ মাধ্যম বা আহিলাত পৰিণত কৰিলে ।

অসমত অতীজতে কাঠেৰে প্ৰস্তুত কৰা ফলিত চিত্ৰ অংকণ কৰিছিল ।কাঠৰ ফলিত অংকণ কৰা চিত্ৰ ৰ বিষয়বস্তু ৰ দুটা ধাৰা দেখা গৈছিল ।এটা হ'ল ধৰ্মীয় অনুভুতিৰ অৰ্থাৎ ৰামায়ণ মহাভাৰত পুৰাণ আদিৰ কাহিনীৰ অংশ বিশেষৰ চিত্ৰ ।আনটো ভাগত খেল -ধেমালি,জীৱ-জন্তুৰ যুদ্ধ, চিকাৰ কৰা দৃশ্য বা প্ৰকৃতিৰ অংশ বিশেষ ।

আজি তোমালোকক ক'ব বিচৰা চিত্ৰখন হৈছে দেৱাল ছবি বা ষ্ট্ৰীট আৰ্ট । ৰাজহুৱা স্থানত, জনবহুল অঞ্চলত ,ৰাজহুৱা প্ৰস্ৰাৱগাৰ,খেলপথাৰৰ চাৰিসীমাৰ দেৱাল, চৰকাৰী এলেকাৰ চাৰিসীমাৰ দেৱাল আদিত শিল্পীয়ে সুন্দৰ কৈ ৰঙীন ছবি আঁকি পথৰ কাষৰ সৌন্দৰ্য্য বৃদ্ধি কৰা আমাৰ চকুত পৰে নহয়নে বাৰু? সেই চিত্ৰ সমূহেই হৈছে দেৱাল ছবি বা ষ্ট্ৰীট আৰ্ট ।এই দেৱাল ছবি ক মৌনতাৰে কৰা আন্দোলন বুলিবই পাৰি ।কিয়নো ই সমাজ পৰিবৰ্তনত অৰ্থাৎ জনসাধাৰণক অন্ধবিশ্বাস ,কুসংস্কাৰ, পৰিৱেশ সুৰক্ষা আদিৰ প্ৰতি সজাগ আৰু সচেতন কৰি তুলিব পাৰে । দেৱাল ছবি সমূহ এজন সাধাৰণ পথচাৰীৰ পৰা উচ্চ পৰ্যায়ৰ ব্যক্তি বা চিত্ৰপ্ৰেমীৰ চকুত পৰে । মুকলি ভাবে দৰ্শন কৰিব পৰা এই ছবিয়ে জনসাধাৰণক বিষয়বস্তুৰ ওপৰত চিন্তা চৰ্চা কৰিবলৈ সুযোগ প্ৰদান কৰে । উদাহৰণ স্বৰূপে মাদক দ্ৰব্য সেৱনৰ ভয়াবহ পৰিণতি ৰ চিত্ৰ, সেউজীয়া ধৰণী গঢ়ি তোলাৰ চিত্ৰ, বন্যপ্ৰাণী সুৰক্ষাৰ চিত্ৰ আদিয়ে জনমানসত চিন্তাৰ খোৰাক যোগায় ।দেৱাল ছবিৰ ৰং ৰেখা -ছাঁ- পোহৰে বাস্তৱ সত্যৰ সাৰ্থক ৰূপ, বাস্তৱ -সৌন্দৰঞ্জয্য,অনুভুতি ,বিষয়বস্তুৰ ঐক্য আৰু অখণ্ডতাই ছবিখনৰ গৌৰৱ বৃদ্ধি কৰি সাৰ্থকতা লাভ কৰে ।এনে এখন ছবি মূল্য দি আৰ্ট গেলাৰী বা ছবি প্ৰদৰ্শনী এখন উপভোগ কৰিব নোৱাৰা চিত্ৰৰসিক এজনে বিনামূল্যে চাব পাৰে ।দেৱাল ছবিয়ে সমগ্ৰ অঞ্চলটোলৈও গৌৰৱ কঢ়িয়াই আনে ।এনে গৌৰব কঢ়িয়াই আনিছে গোলাঘাট জিলাৰ ডাকঘৰ আৰু বাচ আস্থানৰ সমীপৰ অৰ্থবহ মনোগ্ৰাহী দেৱাল ছবিয়ে ।

অতি দৰকাৰী কথাতো হ'ল ছবি অংকণে শিশুৰ পৰা আৰম্ভ কৰি সকলো বয়সৰ ব্যক্তিৰ মানসিক উৎকৰ্ষ সাধন, ব্যক্তিত্ব গঠন আদিত প্ৰভাৱ পেলায় । ই আমাৰ ধৈৰ্য্য গুণ বৃদ্ধি কৰা ৰ লগতে সৌন্দৰ্য্য পিপাসু কৰি গঢ়ি তোলে । সময়ৰ সদ ব্যৱহাৰ হৈ অৱসাদ দূৰ কৰে । গতিকে আমি সকলোৱে ই ৰং তুলিকাৰে মনৰ অৱসাদ দূৰ কৰো আঁহা ।

# এ.পি.এছ.চি. কেলেংকাৰীত জড়িত ৰাকেশ পালৰ জামিন লাভঃ জনালে অধিবক্তা ফিৰোজ খানে



বাৰ্ত্তাসেৱা - বিশেষ ন্যায়াধীশৰ আদালতে দাখিল কৰা জামিন আবেদন সন্দৰ্ভত দীৰ্ঘ শুনানি হোৱাৰ পাছতে বিশেষ আদালতে উক্ত গোচৰত জামিন প্ৰদান কৰে ৰাকেশ পালক। অৱশ্যে জামিন লাভ কৰিলেও সম্প্ৰতি কাৰাগাৰতে থাকিব লাগিব এ পি এছ চি কেলেংকাৰীৰ খলনায়কজন। ভঙাগড় থানাত ৰুজু হৈ থকা এক গোচৰত এতিয়াও ৰাকেশ পালে জামিন লাভ কৰা নাই। সেই হেতু কাৰাগাৰতে থাকিব লাগিব ৰাকেশ পাল। বিশ্বস্ত সূত্ৰে জানিব পৰা মতে, ভঙাগড় থানাৰ গোচৰতো জামিন লাভৰ বাবে বাবে ৰাকেশ পালে সকলো তৎপৰতা অব্যাহত ৰাখিছে। এ পি এছ চি কেলেংকাৰীৰ সকলো তথ্য পাতি মজুত থকাৰ পাছতো ৰাকেশ পালে ইটোৰ পাছত সিটো গোচৰত জামিন লাভ কৰা পালৰ সন্মুখত এতিয়া মাত্ৰ এটাহে গোচৰ আছে।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃ সম্পাদকঃ-শ্ৰী ধীৰেণ ভট্টাচাৰ্য্য সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor : Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286